# 2018

## ELECTIVE ASSAMESE

Paper : 6.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) শ্ৰীকৃষ্ণৰ কুণ্ডিল-যাত্ৰাৰ সময়ত ৰথৰ সাৰথি কোন আছিল?

(খ) কৰুণ ৰসৰ স্থায়ী ভাৱ কি?

(গ) 'ৰামৰ বনগমন' পাঠটি 'শ্ৰীৰামায়ণ-কথা'ৰ কোনটো কাণ্ডৰ অন্তৰ্গত?

(ঘ) কোনটো তিথিত 'মদন পূজাৰ অধিবাস' অনুষ্ঠিত হয়?

(ঙ) হেমচন্দ্ৰ বৰুৱাৰ পিতৃৰ নাম কি আছিল?

(চ) বৰবৰুৱাই কৰা বিমান বিহাৰৰ সময়ত বিমানখনৰ স্পীড কিমান আছিল?

(ছ) *Divina Comedia* কোনে ৰচনা কৰিছিল?

(জ) "Eternal Passion, Eternal Pain" এয়া কাৰ উক্তি ?

(ঝ) ভৰতমুনিয়ে কেইবিধ ৰসৰ কথা উল্লেখ কৰিছে ?

(ঞ) 'সাহিত্যদৰ্পণ'ৰ ৰচক কোন ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'বিশ্বৰূপ দৰ্শন' পাঠটি কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ? গ্ৰন্থখনৰ ৰচক কোন ?

(খ) হেমচন্দ্ৰ বৰুৱাৰ 'দদাইদেও'ৰ নাম কি ? তেওঁ হেমচন্দ্ৰৰ পৰিয়ালটোক ক'লৈ নিছিল ?

(গ) বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম কি ? ই কি বিষয়ক গ্ৰন্থ ?

(ঘ) সত্যেন্দ্ৰনাথ শৰ্মাৰ দুখন মৌলিক গ্ৰন্থৰ নাম লিখা।

(ঙ) বৰবৰুৱাই কলিকতাত কোন দুগৰাকী ব্যক্তিক বেলুনত উঠা দেখিছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটিৰ আধাৰত বেদনিধিৰ চৰিত্ৰ বৰ্ণনা কৰা।

(খ) 'ৰামৰ বনগমন' পাঠটিৰ আধাৰত লক্ষ্মণৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(গ) হেমচন্দ্ৰ বৰুৱাই কেনে প্ৰতিকূলতাৰ মাজত থাকি ইংৰাজী শিক্ষা গ্ৰহণ কৰিছিল ?





(ঘ) সাহিত্যত সংযত কৰুণ ৰসৰ অভিব্যক্তি কিদৰে ঘটে, লিখা।

(ঙ) 'বৰবৰুৱাৰ বিমান-বিহাৰ' পাঠত উল্লিখিত 'গৌৰ-নিতাই' আৰু 'জগাই-মাধাই'ৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(চ) 'অংকীয়া নাটৰ ৰস বিচাৰ' প্ৰবন্ধৰ আধাৰত 'শৃংগাৰাত্মক ভক্তিৰস' সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪। (ক) ভট্টদেৱৰ কথাগীতাৰ আধাৰত তেওঁৰ গদ্যশৈলী সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' শীৰ্ষক পাঠটিৰ মূল কথা তোমাৰ ভাষাত বিৱৰি লিখা।

৫। (ক) কেনে পৰিস্থিতিত পৰি ৰামে বনলৈ গমন কৰিবলগীয়া হৈছিল, সেইকথা 'ৰামৰ বনগমন' শীৰ্ষক পাঠটিৰ আলমত বুজাই লিখা। ১০

*অথবা*

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক'—শীৰ্ষক পাঠৰ মূল কথাখিনি তোমাৰ ভাষাত চমুকৈ বৰ্ণনা কৰা।

৬। (ক) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন-চৰিত' পাঠটিৰ আধাৰত ঊনবিংশ শতিকাৰ অসমীয়া সমাজৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰ সম্পৰ্কে বুজাই লিখা। ১০

*অথবা*

(খ) 'বৰবৰুৱাৰ বিমান-বিহাৰ' প্ৰবন্ধটিৰ ভাষাশৈলী সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

৭। (ক) ''প্ৰাচ্য আৰু প্ৰতীচ্য সাহিত্যত কৰুণ ৰসৰ অভিব্যক্তি স্বতন্ত্ৰ।'' 'সাহিত্যত কৰুণ ৰস' শীৰ্ষক প্ৰবন্ধৰ আলমত উক্ত মন্তব্যটিৰ যথাৰ্থতা উদাহৰণসহ প্ৰতিপন্ন কৰা। ১০

*অথবা*

(খ) বৈষ্ণৱসকলে ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি তেওঁলোকৰ ভক্তি কেনেদৰে প্ৰকাশ কৰে, 'অংকীয়া নাটৰ ৰস বিচাৰ' প্ৰবন্ধটিৰ আলমত বুজাই লিখা।

★★★